Total No. of Printed Pages—3

## 5 SEM TDC DSE ASM (CBCS) 1 (A) (NH)

## 2021

( Held in January/February, 2022 )

ASSAMESE

( Discipline Specific Elective )

( For Non-Honours )

Paper : DSE–1 (A)

( অসমীয়া ব্যাকৰণ, অভিধান আৰু জতুৱা প্ৰয়োগ )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। আখৰ জোঁটনি বুলিলে কি বুজাঁ? অসমীয়া আখৰ জোঁটনিৰ বিধিসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ। ৫+১০=১৫

*অথবা*

সংস্কৃত ভাষাৰ বৰ্ণ আৰু আখৰৰ সৈতে অসমীয়া ভাষাৰ বৰ্ণ আৰু আখৰৰ পাৰ্থক্যবোৰ লিখি অসমীয়া ভাষাৰ উচ্চাৰণৰ বৈশিষ্ট্যবোৰ আলোচনা কৰাঁ। ৮+৭=১৫

২। প্রত্যয় কাক বোলে? প্রত্যয় কেইপ্ৰকাৰৰ আৰু কি কি? বহুবচনৰ প্ৰত্যয় আৰু স্ত্ৰী-প্ৰত্যয়ৰ বিষয়ে উদাহৰণসহ বুজাই লিখাঁ। ৩+৪+৪+৪=১৫

*অথবা*

পৰসৰ্গ বুলিলে কি বুজাঁ? পৰসৰ্গক কেইভাগত ভগাব পাৰি আৰু কি কি? প্ৰতিটো ভাগৰে পৰিচয়মূলক এটি টোকা যুগুত কৰাঁ।
২+১+২+৫+৫=১৫

৩। অসমীয়া অভিধানৰ এটা সাধাৰণ পৰিচয় দিয়াঁ। ১২

*অথবা*

চমু টোকা লিখাঁ : ৬×২=১২

(ক) অসমীয়া অভিধানত প্ৰয়োগ হোৱা শব্দৰ সংক্ষিপ্ত ৰূপ

(খ) হেমকোষ

৪। চমু টোকা লিখাঁ : ৫×২=১০

(ক) পৰিভাষা

(খ) প্ৰশাসনীয় পৰিভাষা আৰু ইয়াৰ সংক্ষিপ্ত ৰূপ

৫। অসমীয়া ভাষাত জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগৰ বিষয়ে সকলো দিশ সামৰি এটি আলচ যুগুত কৰাঁ। ১০

*অথবা*

অৰ্থ লিখি বাক্য ৰচনা কৰাঁ (যি কোনো পাঁচটা) : ২×৫=১০

হাত কৰ; ভাত মাৰ; চিলিম ছিগিল; দাঁতে-ওঁঠে নলগা; বিধি পথালি দে; পেট-ভাটৌ; মুখ খুলি ক।

৬। অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক সৰ্গৰ প্ৰয়োগ-বৈচিত্ৰ্য সম্পৰ্কে এটি টোকা লিখাঁ। ১০

*অথবা*

'নিকা অসমীয়া ভাষা' গ্ৰন্থখনৰ এটি পৰিচয় দিবলৈ যত্ন কৰাঁ।

৭। উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'অসমীয়া ব্যাকৰণ প্ৰৱেশ' গ্ৰন্থৰ গ্ৰন্থকাৰজনৰ নাম লিখাঁ।

(খ) অসমীয়া ভাষাত অ-স্বৰ দীৰ্ঘকৈ উচ্চাৰিত হোৱাৰ এটা উদাহৰণ দিয়াঁ।

(গ) দন্ত্য ন মূৰ্ধন্য ণ নোহোৱাৰ এটা উদাহৰণ লিখাঁ।

(ঘ) Calendar শব্দটোৰ অসমীয়া বানানৰ ৰূপটো লিখাঁ।

(ঙ) Academic শব্দটোৰ পৰিভাষা কি?

(চ) অসমীয়া ভাষাত বচন আৰু লিঙ্গক ব্যাকৰণগত বুলিব পাৰিনে?

(ছ) অসমীয়া ভাষাক ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্ভুক্ত কৰিব পাৰিনে?

(জ) অসমীয়া ভাষাত প্ৰথমখন অভিধান কোনে ৰচনা কৰিছিল?

★★★